অসম

গোলাঘাটৰ নেঘেৰিবিলত উচ্ছেদস্থলীত নগাৰ আগ্রাসন

গোলাঘাটৰ মেৰাপানীৰ নেঘেৰিবিলত বেদখলমুক্ত বনভূমিত পথ নির্মাণ আৰু গছ কটাৰ অভিযোগ উঠিছে। ঘটনাক লৈ সীমান্তবাসীৰ মাজত উদ্বেগ সৃষ্টি হৈছে।

প্রকাশ: ১৬ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:০৫



Fresh allegations (AI)

গোলাঘাট, ১৬ নৱেম্বৰ: গোলাঘাট জিলাৰ মেৰাপানীৰ ২ নং নেঘেৰিবিলৰ উচ্ছেদস্থলীত পুনৰ নগা আগ্রাসনৰ অভিযোগ উঠিছে। বেদখলমুক্ত কৰা দৈয়াং সংৰক্ষিত বনাঞ্চলৰ ভূমিত গোপনে পথ নির্মাণ কৰাৰ লগতে মূল্যৱান গছ-গছনি কাটি ধ্বংস কৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে।

স্থানীয় লোকসকলৰ অভিযোগ, উচ্ছেদিত এলেকাটোত এক্সকেভেটৰ ব্যৱহাৰ কৰি মাটি সমান কৰি নতুন পথ নির্মাণৰ কাম চলি আছে। কোনো আনুষ্ঠানিক অনুমতি অবিহনে এই কাম চলি থকা বুলি তেওঁলোকে দাবী কৰিছে।

পথ নির্মাণ আৰু বেদখলৰ ফলত অঞ্চলটোৰ বহু মূল্যৱান গছ-গছনি কাটি ধ্বংস কৰা হৈছে বুলিও অভিযোগ উঠিছে। ইয়াৰ ফলত স্থানীয় বনজ সম্পদৰ ব্যাপক ক্ষতিসাধন হোৱা বুলি ৰাইজে উদ্বেগ প্রকাশ কৰিছে।

দৈয়াং সংৰক্ষিত বনাঞ্চলৰ অন্তর্গত মেৰাপানীৰ এই অঞ্চলটোত প্রশাসনে পূর্বে দুটা পর্যায়ত উচ্ছেদ অভিযান চলাইছিল। যোৱা বছৰ আৰু শেহতীয়াকৈ ২০২৬ চনৰ ১৭ অক্টোবৰত চলোৱা উচ্ছেদ অভিযানৰ পাছত অঞ্চলটো বেদখলমুক্ত কৰা হৈছিল।

© 2026 NewzNow

এলেকাটোত বন বিভাগৰ কর্মচাৰী আৰু নিৰাপত্তাৰক্ষী নিয়োজিত হৈ থকাৰ পাছতো এক্সকেভেটৰ ব্যৱহাৰ কৰি পথ নির্মাণ আৰু গছ কটা কেনেকৈ সম্ভৱ হ'ল, তাক লৈ জিলা প্রশাসন আৰু বন বিভাগৰ ভূমিকাৰ ওপৰত প্রশ্ন তুলিছে স্থানীয় লোকসকলে।

অসম-নাগালেণ্ড সীমান্তৱর্তী স্পর্শকাতৰ অঞ্চলটোত উচ্ছেদৰ পাছতেই পুনৰ এনে কার্যকলাপ চলাৰ অভিযোগে সীমান্তবাসীৰ মাজত আতংক আৰু উদ্বেগৰ সৃষ্টি কৰিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3533/golaghat-negheribil-encroachment-road-allegation